**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-10-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ ক্ষেত্ৰত প্ৰয়োজন হলে মৃত্যুৰ দিনা য়টত থকা প্ৰবাসী অসমীয়াসকলক পুনৰ তলব কৰা হ'ব বুলি এছ আই টিৰ মুৰববী মুন্না প্ৰসাদ গুপ্তাই সদৰি কৰিছে। আজি এখন সংবাদমেল সম্বোধন কৰি তেওঁ কয় যে ছিংগাপুৰ আৰক্ষীয়ে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সকলোবোৰ তথ্য আইনী প্ৰক্ৰিয়াৰ জৰিয়তে এছ আই টিক দিবলৈ সাজু হৈছে। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে ছিংগাপুৰলৈ যোৱা অসম আৰক্ষীৰ অতিৰিক্ত সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তা আৰু তৰুণ গোৱেল কালি গুৱাহাটীলৈ উভতি আহে। সংবাদমেলত তেওঁ জনোৱা মতে, তেওঁলোক ২০ অক্টোবৰত ছিংগাপুৰত থকা উচ্চ আয়ুক্তৰ সৈতে বৈঠকত মিলিত হৈছিল। ২১ অক্টোবৰত ছিংগাপুৰ আৰক্ষীৰ পাঁচজনীয়া এটা দলৰ সৈতে বৈঠকত মিলিত হৈ তদন্তৰ তথ্য বিনিময় কৰা বুলিও এছ আই টিৰ মুৰববীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ সোণাপুৰৰ কমাৰকুছিৰ সমাধিস্থলীক লৈ জাৰি কৰা নিৰ্দেশনা আজিৰে পৰা প্ৰযোজ্য হৈছে। ডিমৰীয়া সম-জিলাৰ আয়ুক্ত বিশ্বজিৎ শইকীয়াই এই সন্দৰ্ভত কয়, যে জুবিন গাৰ্গৰ সমাধিস্থলীৰ পৱিত্ৰতা আৰু শৃংখলা বৰ্তাই ৰখাটো অত্যন্ত জৰুৰী। উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ নিৰ্দেশ অনুসৰি পুৱা ছয় বজাৰ পৰা নিশা ১০ বজালৈহে দৰ্শনাৰ্থীয়ে সমাধিস্থলীত শ্ৰদ্ধাঞ্জলি জনাব পাৰিব। সেই অনুসৰি আজি নিশা ১০ বজাৰ পাছত সমাধিস্থলীৰ প্ৰৱেশদ্বাৰ বন্ধ থাকিব বুলি ডিমৰীয়া সম-জিলাৰ আয়ুক্তগৰাকীয়ে কয়।

*(বাইট)*

oooo

নলবাৰী জিলাৰ কৃষি আৰু মীন বিভাগৰ হিতাধিকাৰীৰ বাবে আৱণ্টিত ধন জালিয়াতিৰে আত্মসাৎ কৰাৰ অভিযোগত দীনেশ গোস্বামী নামৰ এজন শিক্ষকক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। জিলাখনৰ চেংনৈ অঞ্চলৰ ৫৫ জন হিতাধিকাৰীৰ বাবে কৃষি আৰু মীন বিভাগে সাহায্য আগবঢ়াইছিল। এই ধন দীনেশ গোস্বামী নামৰ শিক্ষকজনৰ লগতে ধীৰেশ্বৰ বৰ্মন নামৰ আন এজন লোকে চেংনৈ ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীৰ জৰিয়তে আত্মসাৎ কৰিছিল। এই কেলেংকাৰী সন্দৰ্ভত নলবাৰী সদৰ থানাত ৰুজু হোৱা এটা গোচৰৰ ভিত্তিত নলবাৰী সদৰ আৰক্ষীয়ে আজি শিক্ষক দীনেশ গোস্বামীক গ্ৰেপ্তাৰ কৰে।

ooooo

কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতিৰ যৌথ উদ্যোগত আজি শুশ্ৰুষা সেতু শীৰ্ষক বিধানসভা সমষ্টিভিত্তিক তৃতীয়টো স্বাস্থ্য শিবিৰৰ সামৰণি পৰে। এই শিবিৰত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধী আৰু দিশপুৰ বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত অসম পন্যাগাৰ নিগমৰ উপাধ্যক্ষ ড° তপন দাস, কামৰূপ মহানগৰ জিলা আয়ুক্ত সুমিত চট্টাৰান, জিলা উন্নয়ন আয়ুক্ত পাৰিজাত ভূঞা, ডিমৰীয়া সমজিলা আয়ুক্ত বিশ্বজিৎ শইকীয়া আৰু ডিমৰীয়াৰ সহকাৰী আয়ুক্ত উপস্থিত থাকে। ১৮ বছৰ অনুৰ্ধ শিশু আৰু কিশোৰ-কিশোৰীৰ প্ৰাথমিক ৰোগ চিনাক্তকৰণ আৰু প্ৰয়োজনীয় চিকিৎসা সেৱা প্ৰদানৰ উদ্দেশ্যে আজিৰ এই স্বাস্থ্য শিবিৰ আয়োজন কৰা হয়।

ওদালগুৰি জিলাতো ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত শুশ্ৰুষা সেতু শীৰ্ষক শিবিৰৰ আয়োজন কৰা হয়। ইফালে তিনিচুকীয়া জিলাতো ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত ডিগবৈ মহাবিদ্যালয়ত বিধায়ক সুৰেণ ফুকনে এই শিবিৰ উদ্বোধন কৰে।

০০০০০

অসম নাট্য সন্মিলনৰ নলবাৰী জিলা সমিতিয়ে আদ্য শৰ্মাৰ সোঁৱৰণত আগবঢ়োৱা আদ্য শৰ্মা শিল্পী বঁটা ২০২৫ বৰ্ষৰ বাবে ভাস্কৰ্য শিল্পী দিগন্ত মাধৱ গোস্বামীক বাচনি কৰিছে। প্ৰতিভাবান শিল্পীগৰাকীয়ে তেওঁৰ চিত্ৰ-ভাস্কৰ্য, শিল্প কলাৰ অনুষ্ঠান **পূৰ্ণ শিল্পম**ৰ জৰিয়তে শব্দ, সুৰ আৰু শিল্পকলাৰ ক্ষেত্ৰখনত অনবদ্য অৱদান আগবঢ়াই আহিছে। অসম নাট্য সন্মিলনৰ নলবাৰী জিলা সমিতিৰ উদ্যোগত ১, ২ আৰু ৩ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া আদ্য শৰ্মা অসম ভিত্তিত নাট প্ৰতিযোগিতাৰ সৈতে সংগতি ৰাখি ২ নৱেম্বৰত নলবাৰীৰ নাট্য মন্দিৰত আদ্য শৰ্মা শিল্পী বঁটা প্ৰদান কৰা হ'ব।

০০০০০

গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহালে আজি জিলাখনৰ ছাটাইমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৩ কোটি ২৩ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা নৱনিৰ্মিত ভৱনটো শুভ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত এখন সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে বিদ্যালয়সমূহৰ আন্তঃগাথনি উন্নয়নৰ বাবে নিৰন্তৰভাৱে কাম কৰি গৈছে। বিগত ১০ বছৰত ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহলৈ ব্যাপক পৰিৱৰ্তন আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এসময়ত অসমৰ বিদ্যালয়সমূহত শিক্ষকৰ অভাৱ আছিল যদিও এতিয়া সেই অভাৱ দূৰ হৈছে। আজিৰ সভাত গোৱালপাৰাৰ জিলা আয়ুক্ত প্ৰদীপ তিমুঙকে ধৰি জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**